# প্ৰভাত গোস্বামীৰ *পিজলা গাভৰু:* এক বিশ্লেষণাত্মক অধ্যয়ন

## (An Analytical Study of Pijla Gabharu as a Historical Novel)

**ডঃ ধীৰেণ বড়ো**

সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

পূব কামৰূপ মহাবিদ্যালয়, বাইহাটা চাৰিআলি, কামৰূপ, অসম

## ABSTRACT

*Among the various ethnic communities of Assam, the Ahoms possess a rich and well-documented written history. Through the Buranjis (historical chronicles), the Ahoms meticulously recorded both major and minor events of their reign without concealment. These chronicles provide valuable insights into the political, social, cultural, and economic life of the Ahom kingdom, while also narrating stories of power struggles, courage, sacrifice, betrayal, ambition, and the heroic deeds of brave men and women. However, several significant historical figures have not received the recognition they deserve in the Buranjis, resulting in their gradual disappearance from public memory. Pijala Gabharu is one such remarkable character who is on the verge of being forgotten by history.*

*Pijala Gabharu, the daughter of the great warrior Lachit Borphukan, fought alongside her father against the Mughals in the famous Battle of Saraighat. Inspired by her courage, sacrifice, and heroism, Prabhat Goswami composed the historical novel Pijala Gabharu (2025). The present research paper attempts to undertake a detailed discussion of both the character of Pijala Gabharu and the novel itself.*

**Keywords:** *Pijala Gabharu*, Saraighat war, Fortification, Rampart, Ahom, Bengal, Mughal.

### ১.০০ অৱতৰণিকা

প্ৰভাত গোস্বামী অসমীয়া সাহিত্যত শিশুসকলৰ বাবে সৰ্বাধিক নাটক ৰচনা কৰা নাট্যকাৰ। তেওঁ ১৯৭৮ চনত দৈনিক জনমভূমি কাকতৰ পৰা সাহিত্যিক জীৱনৰ আৰম্ভ কৰি বৰ্তমান সময়লৈকে সাহিত্য চৰ্চা কৰি আছে। তেওঁ শিশুৰ উপযোগী ভালেখিনি নাটক ৰচনা কৰিছে। নাটক কেইখনৰ ভিতৰত-*হাতী ঐ হাতী, বিপদৰ বন্ধু, বাটৰ বিহু, কাননবালা, সকলোৱে একেলগে ভাবি চাবা, সকলো একেই, আৰু এজনী আই, প্ৰতিফলন, পথবন্ধ, কৰ্মফল, মকৰা, সৰস্বতী পূজাৰ আগদিন, ঐ শুকান পাহাৰ, ভূতৰ পোৱালি, ভজা খোৱা ৰজা, ঐ অজগৰ গিলিব নেকি, বটলৰ অসুৰ* আদি উল্লেখযোগ্য। তেওঁ শিশুৰ উপযোগীকৈ ১১খন সাধুকথাৰ গ্ৰন্থ আৰু ২০খনৰো অধিক উপন্যাস ৰচনা কৰিছে। উপন্যাসৰ ভিতৰত-*সপোনৰ দেশত কণমানি, ককাৰ ঘোঁৰা হেৰাল, বাৰ্কলে চাহাবৰ বঙলা, শুকুলা হাতীৰ খোজ* আদি। অসম সাহিত্য সভাই *শুকুলা হাতীৰ খোজ* নামৰ উপন্যাসৰ বাবে ২০২৪ চনত অসমীয়া শিশু সাহিত্যৰ বঁটাৰে সন্মানিত কৰে। শিশু আলোচনী মৌচাকৰ

জৰিয়তে তেওঁ শিশু সাহিত্যিক ৰূপে আত্মপ্ৰতিষ্ঠা লাভ কৰিছিল। অসমীয়া বহুকেইখন জনপ্ৰিয় ধাৰাবাহিকত তেওঁ চিত্ৰনাট্য কৰিছে। তেওঁৰ *নিবেদিতা গাৰ্লছ হোষ্টেল, খামপাট গাভৰু, মগলৌ কুঁৱৰী কুৰঙ্গনয়নী, পিজলা গাভৰু* আদি উল্লেখযোগ্য উপন্যাস। প্ৰভাত গোস্বামীৰ ৮০ খন নাটক, ৫০খনৰ অধিক বিভিন্ন ধৰণৰ গ্ৰন্থ প্ৰকাশ পোৱাৰ লগতে বিভিন্ন আলোচনীৰ মাজত ব্যঙ্গ লেখা, গল্প আৰু প্ৰবন্ধ আদি সিঁচৰতি হৈ পৰি আছে ।

**অধ্যয়নৰ উদ্দেশ্য আৰু লক্ষ্যঃ**

ইতিহাসৰ পাতত বহু চৰিত্ৰই যোগ্য স্থান লাভ কৰিবলৈ সক্ষম হোৱা নাই। যাৰ ফলত তেনেকুৱা চৰিত্ৰ কালৰ গৰ্ভত বিলীন হবলৈ উপক্ৰম হৈছে। লাচিতৰ দুহিতা পিজলা গাভৰু তেনেকুৱা এটি চৰিত্ৰ যি বুৰঞ্জীৰ পাতত স্থান নাপাই কালৰ বুকুত হেৰাই গৈছে। পিজলা গাভৰু উপন্যাসখনৰ জৰিয়তে এই ঐতিহাসিক চৰিত্ৰৰ পুংখানুপুংখ আৰু গভীৰ ভাৱে অধ্যয়ন কৰা হ'ব।

উপন্যাসখনৰ অধ্যয়ন জৰিয়তে জৰিয়তে পিজলা গাভৰুৰ জীৱনৰ লগতে তাইৰ সামগ্ৰিক চাৰিত্ৰিক দিশটো উন্মোচন কৰাৰ প্ৰয়াস কৰা হ'ব।

**অধ্যয়নৰ পদ্ধতিঃ**

বিষয়টো অধ্যয়ন কৰিবলৈ মূখ্যত-বৰ্ণাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতিৰ প্ৰয়োগ কৰা হ'ব। বিশ্লেষণটো প্ৰণালীবদ্ধভাৱে উপস্থাপন কৰি আলোচনা আগবঢ়োৱা হ'ব।

**অধ্যয়নৰ পৰিসৰঃ**

বিষয়টো অধ্যয়নৰ পৰিসৰ ৰূপে মূলত উপন্যাসখনকে সামৰি লোৱা হৈছে । প্ৰাসঙ্গিক আৰু বুৰঞ্জীমূলক গ্ৰন্থ সমূহৰ পৰা তথ্য সংগ্ৰহ কৰাৰ প্ৰয়াস কৰা হ'ব।

## ২.০ উপন্যাসখনৰ আলোচনা

### ২.১ কাহিনী

ঘোঁৰা বৰুৱাৰ দুহিতা পিজলা শান্তি হৈছে। তাইৰ সকামৰ বাবে ঘৰত ডাঙৰকৈ অনুষ্ঠান পাতিছে। ভোজৰ বাবে গন্ধৰ্ব কোঁৱৰৰ নেতৃত্বত ছয়জনীয়া ডেকা লৰাবোৰে কেইবাদিনো খাপ পাতি অতি কষ্ট কৰি পহু চিকাৰ কৰি লৈ আহে। বাটত বঙাল (মোগল)-ৰ সৈন্যই সিহঁতক ভেটা দি চিকাৰ কৰি অনা পহুটো কাঢ়ি লবলৈ চেষ্টা কৰিলে। গন্ধৰ্ব কোঁৱৰে বুদ্ধি কৰি হৰিণাৰ মূৰটো শিৰচ্ছেদ কৰি দিয়ে। ফলত মোগল বা বঙাল সৈন্যৰ বাবে হৰিণাটি এতিয়া অখাদ্য হ'ল ।

*"মই ইয়াৰ ডিঙি ছিঙিলোঁ। তহঁতে নিব নোৱাৰ। হালাল নকৰা মাংস তহঁতে নিনিয়। এই তহঁতে কি চাই আছ ল কটা পহুটো ল।" (গোস্বামী ১০)*

খঙত বঙাল সৈন্যই গন্ধৰ্বক বন্দী কৰি লৈ গ'ল। ঘোঁৰা বৰুৱাৰ ঘৰত পিজলা শান্তি হোৱাৰ সকামটো বৰ

উলহমালহেৰে আয়োজন কৰিলে। সোণামতীয়ে পাহাৰৰ জংঘলৰ পৰা বিচাৰি অনা কপৌফুল পাহি আনি বান্ধৰী পিজলাক উপহাৰ দিলে। বঙালে গন্ধৰ্বক বেয়াকৈ মাৰধৰ কৰি পঠিয়াই দিলে। সকলোৱে গন্ধৰ্বৰ কথাই চিন্তা কৰি আছিলে। গন্ধৰ্ব এনেকুৱা অৱস্থাত অনুষ্ঠান অংশগ্ৰহণ নকৰিলে। বতাহীয়ে মৰমত তাৰ বাবে মঙহ আৰু সাজ আনি দিছিলে।

মিৰজুমলাই কৰতলীয়া ৰজা ৰূপে বাদুলীফুকনক পাতি থৈ গৈছে। বঙালে ৰাইজৰ ওপৰত অকথ্য নিৰ্যাতন চলাইছে। বাদুলীফুকন ৰজা হ'লেও মনে মনে ভয় আৰু শঙ্কাত দিন পাৰ কৰিব লগা হয়। বিশেষকৈ শুকতি বৰুৱাৰ ঘৰৰ ওপৰত তেওঁৰ তীক্ষ্ণ নজৰ। সৈন্যই গন্ধৰ্বক ধৰি লৈ যাওঁতে বাদুলীয়েফুকনে তাৰ বিচাৰ কৰিছিল। চাবুকেৰে কোবাই পঠিয়াই দিছিল। শুকতি বৰফুকনৰ ঘৰত ৰাইজ গোট খাইছে। সোণমতীক বঙালে দাঙি লৈ গৈছে। মাকে কান্দি কান্দি শুকতিৰ ওচৰত ন্যায় বিচাৰিছে। বঙলাৰ তেনে কাৰ্য্যত সকলোৰে খঙত তেজ উতলি উঠিছে। শুকতিয়ে যি কোনো মূল্যত সোণমতীক উদ্ধাৰ কৰি আনি দিয়াৰ প্ৰতিশ্ৰুতি দিলে। বঙলাৰ তলতীয়া ৰজা হলেও বাদুলীফুকনৰ শান্তি নাই। ভগনীয়া ৰজাক ধৰিব পাৰিলেহে বাদুলীৰ শান্তি আহিব। মন্ত্ৰিৰ ভাণ্ডাৰী বৰুৱাক স্বৰ্গদেউক ধৰি আনিবলৈ দায়িত্ব দিলে ।

*"মন্ত্ৰৰে সকলো বুজাই ক'লে। তিনিটা মানুহ ঠিক কৰিছে নন্দ হাতি আৰু হৰিগতি। সিঁহত গৈ ৰজাক ধৰি আনিব। (গোস্বামী ৪৭)*

মন্ত্ৰিৰ বৰুৱাই এই কাৰ্যৰ বাবে মোমাই তামুলীৰ আশ্ৰিত গন্ধৰ্ব কোঁৱৰৰ প্ৰয়োজন হ'ব বুলি ক'লে। গন্ধৰ্ব কোঁৱৰ ঘোঁৰা চলোৱাত বৰ পাৰ্গত ।

মোমাই তামুলীৰ নিৰ্দেশ মৰ্মে গন্ধৰ্ব কোঁৱৰৰ নেতৃত্বত মইনা, বলো, মঙ্গলবৰীয়া আৰু কুশয়ে গোপনভাৱে বঙালৰ চাউনিৰ পৰা সোণমতীক উদ্ধাৰ কৰিববৈলে গ'ল। বঙালৰ সেনাপতি পাঞ্চৰখাঁৰ চাউনিত সোণমতীক অপহৰণ কৰি নিয়া গোপন তথ্য তেওঁলোকে লাভ কৰিছিল। এই অভিযানত গোপনভাৱে পিজলা গাভৰু আহি যোগদান দিছিল। তেওঁলোকে তাইক দেখা পাই আচৰিত হৈছিল। তাৰ পৰা আতৰি যাবলৈ অনুৰোধ কৰিছিল যদিও তাই কোনোপধ্যেই মান্তি নহ'ল ।

*"মই যাম।মোক জীয়াই চুব নোৱাৰে। মাতৰ দৃঢ়তা আৰু আঁকোৰগোঁজ স্বাভটো দেখি খং উঠিলেও একো নকলে। ডাঙৰীয়াৰ জী যেতিয়া একো ক'ব নোৱাৰি। সকলো লাহে লাহে আগবাঢ়িল।" (গোস্বামী ৬০-৬১)*

চাউনিত প্ৰৱেশ কৰাৰ বাবে পাম পাতি থাকোতে কেইজনমান বঙাল সৈন্যই ওলাই আহিছিল আৰু লগত সোণমতীৰ মৃতদেহটো আছিল। সেই সুযোগতে বিলম্ব নকৰি সৈন্য কেইটাক হত্যা কৰি সোণমতীৰ মৃতদেহটো

উদ্ধাৰ কৰি আনি কোনেও গোম নোপোৱাকৈ তাইৰ ঘৰৰ পদূলিত থৈ আহে। গন্ধৰ্বই সকলোকে মনে মনে থাকিবলৈ ক'লে। কোনোৱে যাতে তেওঁলোকৰ বিষয়ে উমান নাপাই সকলোকে সতৰ্ক কৰি দিলে। পিজলাৰ লগতে সকলোৱে দুখ আৰু ক্ষোভত ভাঙি পৰিছিল। ৰাতিপুৱা মাক আৰু ৰাইজে সোণমতীৰ মৃতদেহ দেখি হুৱাদুৱা লাগে। শুকতিয়ে সোণমতীৰ মৃতদেহটো সৎকাৰ কৰাৰ ব্যৱস্থা কৰে ।

পিজলা আৰু ৰতাহী দুয়ো গন্ধৰ্বক ভাল পায়। আনহাতেদি গন্ধৰ্বয়ো সিহঁত দুয়োৰে সান্নিধ্য ভাল পায়। কিন্তু প্ৰকাশ কৰিব পৰা নাই। গন্ধৰ্বক দেখা নাপালে মন বিচলিত হৈ উঠে। বাদুলীৰ সৈন্যই গন্ধৰ্বক লৈ যোৱাত তাই বৰ চিন্তিত হৈ উঠিছিল। ককাক ব্যৱস্থা লবলৈ কোৱাত তেওঁ নিৰ্বিকাৰ আছিল ।

*"সি কোচৰ কোঁৱৰ। নতুন ৰজাই বা কি ভাবিছে। আমি কি কৰিব পাৰোঁ।" (গোস্বামী ৭৩)*

মন্ত্ৰিৰে গন্ধৰ্বক স্বৰ্গদেউ জয়ধ্বজ সিংহক বন্দী কৰাৰ ষড়যন্ত্ৰৰ কথাবোৰ ভাঙি ক'লে। তাক সিহঁতৰ ষড়যন্ত্ৰত সহায় কৰিবলৈ ক'লে। সহায় কৰিলে ভৱিষ্যতে তাক ডাঙৰ বিষয় বাব দি পুৰস্কাৰ কৰা হ'ব আৰু নকৰিলে হত্যা কৰা হ'ব। উপায়হীন হৈ সিহঁতক সহায় কৰিবলৈ মান্তি হল। তিনিদিন পিছতে নামৰূপত আত্মগোপন কৰি থকা জয়ধ্বজ সিংহক বন্দী কৰিবলৈ গোপনেভাৱে নাৱত উঠি নন্দ, হাতী আৰু হৰগতিৰ লগত গন্ধৰ্ব গ'ল ।

*"স্বৰ্গদেউ এতিয়া নামৰূপত পলাই থাকিলেও ৰজাৰ আদব কায়দাবোৰ এৰিব পৰা নাই। গতিকে দিল্লিত নৈত নাও খেলাবলৈ আহে।কেতিয়াবা আহে বৰশী বাবলৈ।কোনো বিশেষ গা ৰখীয়া নানে, দুই বা এটা চাউদাং আৰু তামুলী লিগিৰা থাকে।এই সুবিধাতে স্বৰ্গদেউক বন্দী কৰি লৈ গৈ সিহঁতক গটাই দিব।" (গোস্বামী ৮১)*

গন্ধৰ্ব কোঁৱৰে মোমাইতামুলীক আগতে তেওঁলোকৰ ষড়যন্ত্ৰৰ বিষয়ে জনাই দিছিলে। ফলত স্বৰ্গদেউক বন্দী কৰা ষড়যন্ত্ৰ সফল হব নোৱাৰিলে। ওলোটা সিহঁতে ষড়যন্ত্ৰত পৰি বন্দী হ'ব লগা। ৰজাই গন্ধৰ্বক পুৰস্কাৰ দিলে আৰু বাকী বন্দীকেইটাক মৃত্যু দণ্ডৰে দণ্ডিত কৰিলে ।

*"কোচটোক এথানিকৈ থৈ বাকীবোৰক প্ৰাণদণ্ড দিয়া হওক।*

*লগে লগে নন্দ ,ভৰগতি আৰু হাতী মাটিত বাগৰি কান্দি কান্দি স্বৰ্গদেউক প্ৰাণভিক্ষা বিচাৰি ক্ষমা বিচাৰিলে। গন্ধৰ্বৰো বুকুৰ পৰা যেন শিল এচপৰাহে নামি গল। তাক শাস্তি নিদিলে স্বৰ্গদেৱে।" (গোস্বামী ৮৪)*

ষড়যন্ত্ৰৰ মূল নায়ক মন্ত্ৰিৰক শাস্তি দিবৰ বাবে স্বৰ্গদেউ পিকদানক দায়িত্ব দিলে। পিকদান স্বৰ্গদেউৰ গাতে অনবৰতে লাগি থকা অত্যন্ত বিশ্বাসী সৈন্য।

স্বৰ্গদেউৰ কথামতে গন্ধৰ্ব কোঁৱৰে মাতি পঠোৱাত মন্থিৰে গোপনে নদীৰ পাৰত লগ ধৰিবলৈ আহিলে। তাতে পিকদানে মন্থিৰক হত্যা কৰিলে। ইফালে বহুদিন গন্ধৰ্বক দেখা নাপাই পিজলা চিন্তিত হৈ উঠিছিল। সকলোকে এই বিষয়ে সুধিছিল যদিও কোনো সম্ভেদ নাপালে। মন্থিৰক শিৰচ্ছেদ কৰাৰ কথা গম পাই বাদুলি ফুকন আৰু মজুমখাঁ দুয়ো বিচলিত হৈ উঠিছিল। জয়ধ্বজ সিংহৰ নিৰ্দেশ মৰ্মে বাঁহগৰীয়া বুঢ়াগোহাঁই আৰু আতন বুঢ়াগোহাঁইয়ে বঙালৰ বৰকাথ আৰু বৰ্হিমূলক দলালখাঁৰ যোগেদি মজুমখাঁক সন্ধিৰ প্ৰস্তাৱ দিলে। বঙালে দেশ এৰিলে আহোমে নব্বৈ টা হাতী, তিনি লাখ টকা আৰু লগত স্বৰ্গদেউৰ এজনী জীয়েক বাদচাহৰ লৰালৈ দিব। লগতে বাদুলীসহ বঙালৰ সংগ দিয়া সকলক গতাই দিব লাগিব। মজুমখাঁই কোনো নিৰ্ণয় নোলোৱাকৈ সন্ধিৰ প্ৰস্তাৱ কটকীৰ জৰিয়তে বাদচাহৰ ওপৰত সকলো এৰি দিলে ।

*“ভাল হাতী নব্বৈ তিনি লাখ টকা দিব, পাম, স্বৰ্গৰজাৰ জীয়েক এটা পাৎশাৰ বেটালৈ দিয়ক। তেহে পাৎশা খোলাচ হ’ব। কাৰ্য্য হাচিল হ’ব।” (গোস্বামী ৯৭)*

*“আহোম স্বৰ্গদেউৰে বিচাৰিছে বাদুলীসহিত বঙালৰ লগলগা সকলোকে। মজুমখাঁই একো কোৱা নাই। বাৎচাহৰ হুকুমলৈ ৰৈ আছে, যত বাদুলীৰ ভাগ্য ওলমি আছে।” (গোস্বামী ৯৮)*

অনিশ্চয়তাৰে ভৰা জীৱন লৈ বাদুলী ফুকনে আতঙ্কত দিন কটাবলৈ আৰম্ভ কৰিলে । মজুমখাঁ লাহে লাহে অসুস্থ হবলৈ ধৰিলে। চিকিৎসা কৰিলে যদিও আৰোগ্য হোৱা নাছিলে। তিপামৰ ঘিলাঝাৰী ঘাটত আহোম আৰু বঙালৰ মাজত সন্ধি হ’ল। সন্ধিপত্ৰত আতন বুঢ়াগোহাঁই আৰু মজুমখাঁই স্বাক্ষৰ কৰিছিল। সন্ধিমতে বহু হাতী, সোণ-ৰূপৰ উপৰিও স্বৰ্গদেউৰ নিজৰ কন্যা ৰমণী গাভৰু আৰু ভতিজী টিপাম ৰজাৰ জীয়েকক বাদশ্বাহৰ পুত্ৰক দি পঠিয়ালে। মজুমখাঁ স্বৰ্গদেউক বহু মূল্যবান উপহাৰ দিলে। চুক্তিমতে বাদুলী ফুকন আৰু বঙালৰ সংগ দিয়া সকলক গতাই দি যাব বুলি কথা দিছিল যদিও মজুমখাঁই কাকো গতাই নিদিলে। সকলোকে মজুমখাঁই বংগত লৈ গ’ল।

*“বুঢ়াগোহাঁয়ে দাবী ধৰিছিল বাদুলী আৰু বঙালক বৰা সকলক এৰি যাব লাগে, কিন্তু নাই মজুমখাঁই সিবোৰক লগত লৈ গ’ল। বাদুলী হৰি ডেকা পুতেক মনোহৰ এই তিনি বাজে কাকো নিনিও বুলি কৈছিল যদিও অনেকক লৈ গ’ল। মুঠ বাৰ হাজাৰ লোক ধৰি বঙ্গাললৈ নিলে।” (গোস্বামী ১০১-১০২)*

বঙাল আতৰি যোৱাৰ পিছতো ৰাজধানী গড়গাঁৱলৈ স্বৰ্গদেউ নাহিল। বকতাতে নতুনকৈ ৰাজধানী পাতিলে। যি সকলে বঙালক লগ দিছিলক তেওঁলোকক শাস্তি দিবলৈ ধৰিলে। বুঢ়াগোহাঁই বুজনি দিয়াত স্বৰ্গদেউ

শাস্তি দিয়া বন্ধ কৰিলে। অভয় পাই লোকসকল স্বৰ্গদেউৰ লগত যোগ হৰলৈ আৰম্ভ কৰিলে। লাচিত ডেকাক মাতি আনি ঘোঁৰা বৰুৱাৰ পৰা দোলাকাষৰীয়া বৰুৱা আৰু গন্ধৰ্ব ঘোঁৰাবৰুৱাক পদ অৰ্পণ কৰিলে। জীয়েকক দি স্বৰ্গদেউ ভাঙি পৰিছিল আৰু শৰীৰৰ যথেষ্ট অৱনতি ঘটিছিল|

স্বৰ্গদেউ জয়ধ্বজ সিংহৰ মৃত্যুৰ পিছত চক্ৰধ্বজ সিংহ ৰজা হ'ল। চক্ৰধ্বজ সিংহ স্বৰ্গদেউ হৈ বঙালে ধ্বংস কৰি দিয়া ৰাজ্যখন থানথিত লগোৱাত লাগি গ'ল। তথাপি তলতীয়া ৰজা হোৱা বাবে মনত শান্তি নাছিলে। কৰ দিয়াৰ উপৰিও সময়ে সময়ে মোগলৰ পৰা পোৱা অপমানে তেওঁক ব্যথিত কৰি তুলিছিল। গোপনভাৱে সকলোকে ৰণৰ বাবে সাজু হৰলৈ দিছিল। এইবোৰৰ মাজতে এবাৰ ঔৰঙ্গজেবে চক্ৰধ্বজ সিংহলৈ কাপোৰ উপহাৰ দিছিল। পাগুৰিত বাদশ্বাহৰ পদচিহ্ন অঁকা আছিল। সেইটো দেখি স্বৰ্গদেউ অগ্নিগৰ্ভা হৈ উঠিল। মোগলৰ পৰা দেশক উদ্ধাৰ কৰিবলৈ একপ্ৰকাৰ সংকল্পবদ্ধ হ'ল। পিজলাৰ বিয়াৰ কথা ঘৰৰ মানুহৰ মাজত চিন্তা-চৰ্চা চলি থকা কথাটো তাই গম পাইছে। আইতাকে কথাটো উলিওৱাত পোনচাতেই তাই নাকচ কৰি দিলে। গন্ধৰ্ব ঘোঁৰাবৰুৱা হলেও আগৰদৰে শুকতিৰ হাউলিৰ ওচৰতে বাস কৰি আহিছে। গন্ধৰ্ব কোঁৰৰ সন্নিপাত জ্বৰত ভুগিছিল। শুকতি বৰবৰুৱাই বেজ আনি চিকিৎসা কৰি আৰোগ্য কৰিছিল। লগতে পিজলা আৰু বতাহীয়ে দিন ৰাতি লাগি গন্ধৰ্ব কোঁৰৰক শুশ্ৰূষা কৰিছিল। গন্ধৰ্ব কোৱৰে পিজলা আৰু বতাহী দুয়োকে পোৱাৰ ইচ্ছা কৰিছিল।

*"তাতকৈ ডাঙৰ কথা পিজলা আৰু বতাহী।বতাহীৰ লগত তাৰ এটা সম্বন্ধ হৈছে। বতাহী আজিকালি তাৰ কাষলৈ প্ৰায়ে আহে। তাই বান্দী গতিকে তাইৰ আহ-যাহটোত কোনেও গুৰুত্ব নিদিয়ে।নৰিয়াৰ কেইদিন পিজলা আহিছিল।তাক বহুখিনি নৰিয়া বাতিছিল। তাইৰ লগতো মনে মনে এটা সম্পৰ্ক গঢ় লৈছে, মাত্ৰ মুখ ফুটাই একো কোৱা নাই।পিজলাক যদি তাৰৈ দিয়ে তেন্তে সি তাইক গ্ৰহণ কৰিবলৈ ৰাজী ।" (গোস্বামী ১২৮)*

ইফালে মোগলে কৰকাটল লৈ স্বৰ্গদেউক হেচা দিবলৈ আৰম্ভ কৰিলে। ৰছীদখাঁৰ ঠাইত ফিৰোজখাঁ কামৰূপৰ নতুন ফৌজাদাৰ হ'ল। স্বৰ্গদেউৰ ওপৰত প্ৰভুত্ব দেখুৱাবলৈ বেয়াকৈ চিঠি লিখি পঠিওৱাত তেওঁ ক্ৰোধান্বিত হ'ল। তেওঁ ক'লে-

*"মোগলৰ অধীন থকাতকৈ মৃত্যুৱেই শ্ৰেয়।" (গোস্বামী ১২৭)*

স্বৰ্গদেউে চুবুৰীয়া কছাৰী, জয়ন্তীয়া আৰু কোচ ৰাজ্যলৈ যুদ্ধৰ সহায়ৰ বাবে চিঠি দিছে, ৰাইজক অধিক খেতি-বাতি কৰিবলৈ, যুদ্ধৰ বাবে সৈন্য গোটাবলৈ ,অস্ত্ৰ মজুত ৰখাৰ বাবে, লাচিত ডেকাক গড়বোৰ চোৱাচিতাৰ

দায়িত্ব দিছে,গন্ধৰ্ব কোঁৱৰক অশ্বাৰোহী সৈন্য প্ৰস্তুত কৰিবলৈ আদেশ দিলে। পিজলা বঙালৰ দ্বাৰা নিৰ্যাতিত তিৰোতা আৰু গাভৰুবোৰক লৈ নাৰী বাহিনী গঠন কৰাত লাগি গৈছে ।

*"কিন্তু তাই দেহাটোতকৈ মানুহৰ সাহস আৰু ইচ্ছা ডাঙৰ কথা বুলি ভাবে বাবে তাই লাহে লাহে নাৰী বাহিনী এটা গঠন কৰাৰ বাবে গাভৰুবোৰক গোটাই ফুৰিছে ।" (গোস্বামী ১২৪)*

বঙালে মাজে সময়ে উকীল পঠিয়াই স্বৰ্গদেউৰ বুদ্ধিৰ পৰীক্ষা লয়। পৰীক্ষাৰ উত্তৰ দিব নোৱাৰিলে লাজ আৰু অপমান পায় লগতে ধন পৰিশোধ কৰিব লাগে।

বঙালে দুজনী একে ধৰণৰ ঘোঁৰা স্বৰ্গদেউৰ ওচৰত লৈ আহিছিল। ঘোঁৰা দুটাৰ কোনজনী মাক আৰু কোনজনী পোৱালি বাছি উলিয়াব দিছিল। কিন্তু ঘোঁৰা দুজনী ৰূপে ৰঙে গঢ়ে সাইলাখ একে বাবে কোনেও বাছি উলিয়াব নোৱাৰিলে। পিজলা গাভৰুহে বুদ্ধিৰ পৰিচয় দি ঘোঁৰা দুজনীক বাছি উলিয়াই দিছিল। ইয়াৰোপৰি খাল আৰু বিলৰ মাছ, ধেনুৰ আগ গুৰি নিৰ্বাচন আৰু বোৰ্কা পিন্ধি থকা মহিলা দুজনীৰ পৰা মাক জীয়েক নিৰ্বাচনৰ পৰীক্ষাটো পিজলাই সহজে সমাধান কৰি বঙালৰ আগত স্বৰ্গদেউৰ সন্মান ৰাখিবলৈ সক্ষম হৈছিল। স্বৰ্গদেউ, গন্ধৰ্ব কোঁৱৰ আৰু লগতে সকলোৱে পিজলাৰ বুদ্ধি আৰু জ্ঞানক প্ৰশংসা কৰিলে। গন্ধৰ্ব কোঁৱৰ ঘোৰাঁচোৰা বৰুৱা বাব পাইছে আৰু নিজাকৈ হাউলি স্বৰ্গদেউ বনাই দিছে। তথাপি তেওঁলোকৰ ঘৰৰ পৰা আঁতৰি নোযোৱাটো পিজলাই সন্দেহ প্ৰকাশ কৰিবলৈ আৰম্ভ কৰিছে। তাৰোপৰি মোগল আক্ৰমণৰ সময়ত কোচৰাজ্যৰ পৰা পলাই অহা কোঁৱৰ ।

*"মাজে মাজে তাইৰ ভাব হয় সি যেন মোগলৰ চৰ। তাক যেন মোগলে আহোম ৰজাৰ ভিতৰচৰাত সোমাই বতৰা দিবলৈ থৈছে। যুদ্ধত কোনে কি বুদ্ধিৰে শতৰুৰ সকলো খবৰ লৈ থাকে বুজা টান। কোন সময়ত তাৰ আচল স্বৰূপ ওলাব সময়হে কব। তাই তাক বিশ্বাস লৈছে, স্বৰ্গদেৱও লৈছে আৰু লৈছে সিহঁতৰ ঘৰখনেও।" (গোস্বামী ১৪৩)*

স্বৰ্গদেউৰ নিৰ্দেশত ৰাজ্যত যুদ্ধৰ প্ৰস্তুতি আৰম্ভ হ'ল। পিজলাই অনুৰোধ কৰা বাবে তাইক নাৰী বাহিনী গঠন কৰাৰ বাবে স্বৰ্গদেউ অনুমতি দিলে।

*"ইফালে ৰাজ্যত তেতিয়া পূৰ্ণোদ্যমে যুদ্ধৰ প্ৰস্তুতি চলিছে। স্বৰ্গদেৱে দিয়া আদেশমতে খাৰঘৰীয়া ফুকনে গোলা-বাৰুদ-হিলৈ আদি সাজিবলৈ পাইক লগাই দিছে কাড় ধেনু হেংদা সজাই সাজি আছে। নাওবৈছা খেলৰ মানুহ নাও সাজিছে। নতুন নতুন পাইকক কাঁড় মাৰিবলৈ,হেংদানেৰে যুদ্ধ কৰিবলৈ শিকাওতাই শিকাই আছে। সকলোৰে মনত উছাহ,এইবাৰ বঙালক মাৰিবলৈ যাব।" (গোস্বামী ১৩৯)*

লাচিতৰ কামত সন্তুষ্ট হয় স্বৰ্গদেৱে বিষয়াসকলৰ লগত আলোচনা কৰি তেওঁ বৰসেনাপতি পাতিলে। তাৰ আগতে বুদ্ধি কৰি স্বৰ্গদেৱে লাচিতৰ পৰীক্ষা লৈছিল।

*“লাচিতক ক্ষান্ত হ’বলৈ ক’লে আৰু ক’লে যে তেওঁ লাচিতক পৰীক্ষা কৰিছিল। লগে লগে বৰচৰাতে ঘোষণা কৰিলে যুঁজৰ বাবে লাচিতক বৰসেনাপতিৰ বাব দিলে। লাচিতক লগে লগে বৰফুকন পাতি গুৱাহাটীৰ দায়িত্ব দিলে।” (গোস্বামী ১৪৪)*

আহোমে লাচিত বৰফুকনৰ নেতৃত্বত যুদ্ধৰ প্ৰস্তুতি চলাইছে। বৰফুকনে ঠায়ে ঠায়ে নতুনকৈ গড় আৰু আলি নিৰ্মাণ কৰিছে। ধ্বংস হৈ যোৱাবোৰ মেৰামতি কৰিছে। মোগলৰ পৰা নামনি আৰু গুৱাহাটী উদ্ধাৰ কৰিবলৈ কলিয়াবৰত চাউনি পাতি বৰফুকনে যুঁজ দিবলৈ স্থিৰ কৰিছে। নবাবৰ পৰীক্ষাৰ উত্তৰ দিয়া পিজলাৰ বুদ্ধিৰ কথা গম পাই বঙ্গৰ নবাব চায়েস্তা খাঁই বিচাৰিলে। যাৰ বাবে পাল্কী আ-অলংকাৰ দাসী আৰু সৈন্য পঠিয়াই দিছিল। বঙালৰ এনেকুৱা স্পৰ্দ্ধা দেখা পাই স্বৰ্গদেউ আৰু বিষয়াসকল অগ্নিগৰ্ভা হৈ উঠিল। পিজলাই স্বৰ্গদেউ আৰু পিতৃ বৰফুকনক নিজৰ পৰিকল্পনাৰ কথা কৈ যাবলৈ অনুমতি বিচাৰিলে। পিজলা সাজিকাঁচি বাঁহবাৰী কোঁঠলৈ যাবলৈ ওলালে। লগত তাইৰ গাভৰু বাহিনীৰ যোদ্ধা কেইজনীমান লিগিৰী, সুদক্ষ সৈন্য আৰু গন্ধৰ্ব পাইক হৈ গৈছিল। সকলোবে গোপনভাবে অস্ত্ৰ লগত লুকুৱাই লৈ গৈছিল। লাচিতে জীয়কৰ কথামত শত্ৰুৰ তাত পঠিয়াইছে যদিও পিতৃৰ মন দু চিন্তান বিচলিত হৈ আছে।

*“এফালে দেশৰ কাৰণে জীয়েকক উছৰ্গা কৰিছে ঠিক কিন্তু তাইৰ বুদ্ধিমতে কাম কৰাটো জানো উচিত হৈছেঞ্জ এজনী বালিকাৰ বুদ্ধিমতে।” (গোস্বামী ১৫৫)*

পিজলাই সাজিকাঁচি অহা বাবে বঙালে পতিয়ন গৈ সকলোকে চাউনিত সোমাব দিলে। নিশা সকলোৱে নিজৰ ৰূপ দেখুৱাই এফালৰ পৰা অপ্ৰস্তুত হৈ থকা সৈন্যবোৰক কাটিবলৈ আৰম্ভ কৰিলে। বাঁহবাৰী কোঠৰ দুৱাৰ খুলি দিয়াত বাহিৰত বৈ খাপ পাতি থকা আহোম সৈন্যবোৰ ভিতৰত প্ৰৱেশ কৰি বাহঁবাৰী চাউনি নিজৰ অধীনত লৈ ল’লে।

পিজলাৰ বাবে বাঁহবাৰী চাউনিত আহোমে বিজয় লাভ কৰিলে। স্বৰ্গদেউ আৰু বৰফুকনে পিজলাৰ সাহসত গৌৰব আৰু আনন্দ লাভ কৰিলে। গুৱাহাটী অধিকাৰ কৰিব লাগিলে কাজলী গড় বঙালৰ পৰা মুক্ত কৰাটো দৰকাৰ। বৰফুকনৰ আদেশমতে নাওশলীয়া ফুকন আৰু কলীয়াবৰীয়া ফুকনৰ নেতৃত্বত কাজলীচকীৰ কোঁঠত আহোমে প্ৰচণ্ড আক্ৰমণ কৰিলে। আক্ৰোমণত বঙালৰ সেনাপতি ৰাজাৰায় সিং আৰু চয়িদখাঁৰ মৃত্যু হ’ল। কাজলী কোঁঠ আহোমৰ অধীনলৈ আহিল। ইটাখুলিৰ গড় মোগলৰ পৰা অধিকাৰ কৰিলে। গোটেই গুৱাহাটীত মোগলৰ ঘাটি আছিল আহোমে এনেকৈ আক্ৰোমণ কৰিব

বুলি তেওঁলোকে ভবাই নাছিল। তাৰ পিছত সোণাপুৰ আৰু তাঁতীমৰা কোঠ বৰফুকন আৰু পেলেন ফুকনে মোগলৰ পৰা মুক্ত কৰি লাচিত বৰফুকনে লতাশিলত কোঁঠ মাৰিলে। মোগলৰ দুৰ্গ ইটাখুলি গড়ৰ যুদ্ধত বৰফুকনৰ নেতৃত্বত অভয়াপুৰী ৰাজখোৱা, জপং গোহাঞি আৰু গন্ধৰ্বই ভাগ লৈছিল। যুদ্ধত মোগলৰ সেনাপতি চায়িষ্টা খাঁ আৰু দুনাৰ খাঁ মৃত্যু হ'ল। মোগলৰ সেনাপতি হায়াৎ খাঁৰ লগত যুদ্ধত তিষ্ঠিব নোৱাৰি গন্ধৰ্ব প্ৰাণ লৈ পলাল। দিহিঙীয়া ফুকন আৰু ডেকাফুকনে হায়াৎ খাঁ বধ কৰি চাহবুৰুজৰ ঘাটি নিজৰ দখলত আনে। আহোমে নৈৰ সিপাৰে ৰংমহল গড়ো মোগলৰ পৰা মুক্ত কৰে। গন্ধৰ্ব কোঁৱৰে মন ক্ষমতা অনুসৰি যুদ্ধ কৰিব পৰা নাই সেই কথাটো পিজলাৰ লগতে বৰফুকনেও মন কৰিছিল। যাৰ ফলত খঙত বৰফুকনে গন্ধৰ্ব মাতি নি কৈছিল যুদ্ধ কৰিবলৈ যদি মন নাই গড়গাওঁলৈ গুছি যা।

*"শুন কোঁৱৰ তোৰ পৰা মই যি ভাবিছিলো সেইয়া নাই এথোন।যদি যুঁজলৈ অনিহা তেন্তে গড়গাৱলৈ যাগৈ। তাত স্বৰ্গদেউৰ সেৱা কৰিবি।ইয়াত বোজা নালাগে আমাক।" (গোস্বামী ১৬২)*

আহোমে জয়ী হৈছে যদিও সম্পূৰ্ণকৈ গুৱাহাটীখন অধিকাৰ কৰিব পৰা নাই। মোগলৰ শক্তিশালী সৈন্য চৈয়দ ফিৰোজ খাঁ আৰু মিৰবক্সী চৈয়দ চানাৰ নেতৃত্বত আগিয়াঠুৰিত কোঁঠ বান্ধি আছিল। বঙ্গৰ পৰা অতিৰিক্ত সৈন্য অহাৰ আগতে লাচিতে কোঁঠত আক্ৰমণ কৰিলে। এই যুদ্ধ পানী আৰু বাম দুয়োটাতে হ'ব বাবে বৰফুকনে গন্ধৰ্বৰ সৈতে সাতজন সেনাপতি নিয়োগ কৰিলে। মোগলৰ লগত পলাশবাৰী আৰু কলহীৰ মাজত তীব্ৰ যুদ্ধ হ'ল। যুদ্ধত গন্ধৰ্ব কোঁৱৰে পৰাক্ৰম দেখুৱাই মোগলক পৰাজয় কৰাৰ অৰিহণা দিয়াৰ লগতে ৰণৰ মাজৰ পৰা আঘাতপ্ৰাপ্ত আতোন বুঢ়াগোহাঁইৰ পোক বচাইছিল। যুদ্ধত মোগল সেনাপতি ফিৰোজাখাঁ আৰু মিৰবক্সী চৈয়দ চানাসহ কেইবাটাও সেনাপতি আৰু বহু সৈন্যক বন্দী কৰিলে। আহোম সম্পূৰ্ণ গুৱাহাটী মুক্ত কৰি মোগলক খেদি মানাহ পাৰ কৰি তাতে কোঁঠ মাৰিলে। স্বৰ্গদেউ খবৰটো পাই যথেষ্ট আনন্দিত হ'ল।

*"স্বৰ্গদেউলৈ বাৰ্তা পঠোৱা হল।স্বৰ্গদেৱে আনন্দত কলে- "এতিয়াহে ভাতমুঠি সুখেৰে খাব পাৰিম"। লাচিত বৰসেনাপতিয়ে কামৰূপ বঙালমুক্ত কৰিলে সকলো ফালে তেওঁৰ নাম বৈ-বৈ গল।" (গোস্বামী ১৬৪)*

পিজলাই কেইজনীমান গাভৰু ৰণুৱাৰ সৈতে কামাখ্যা মন্দিৰ দৰ্শন কৰিবলৈ গৈ জ্যোতিষী চূড়ামণি দলৈক লগ ধৰিছিল। জ্যোতিষীয়ে তাইৰ জীৱলৈ দুৰ্যোৰ বিপধ আহি আছে বুলি জনাই তাইক সতৰ্ক কৰি দিলে। বিপদৰ পৰা হাত সাৰিবলৈ গড়গাঁৱলৈ যাবলৈ পৰামৰ্শ দিলে। মন্দিৰৰ পৰা নামি আহোতে বাটত সন্যাসী এজনেও একে কথাকে ক'লে। পিজলাৰ মন বিচলিত হল

যদিও মনত স্থিৰ কৰি পেলালে যে বিপদ আহিলেও তাই যুদ্ধ এৰি গড়গাঁৱলৈ কোনোপধ্যেই নাযায়। তাই দেৱীৰ ওচৰত আৰ্শীবাদ বিচাৰিলে।

*"হে মা মোক ৰক্ষা কৰা" (গোস্বামী ১৬৭)*

গুৱাহাটী হেৰোৱা খবৰ পাই দিল্লীৰ বাদচাহ ঔৰঙ্গজেৱে অম্বৰৰ ৰজা ৰামসিংহক সেনাপতি পাতি আহোম ৰাজ্য জয় কৰিবলৈ পঠিয়াই দিলে। ৰামসিংহৰ সৈন্য আৰু অস্ত্ৰ শস্ত্ৰৰে সুসজ্জিত বিশাল সৈন্য আছিল। লগত এক হাজাৰ হেঙাল কুকুৰ আনিছিল। বাদুলী ফুকন আহি তেওঁলোকৰ লগত যোগদান দিলে। মোগল অহা বুলি শুনি আহোমে নিজৰ প্ৰস্তুতি কৰিছে। তেওঁলোক গুৱাহাটীৰ আশেপাশে কোঁঠ বান্ধি মোগলক ভেটা দিব ৰৈ আছে। মানাহেদি সোমাই বিনা বাধাই অনায়াসে আগিয়াঠুৰি আহি তাতে ৰামসিংহই কোঁঠ মাৰিলে। ৰামসিংহ বিনা যুদ্ধই গুৱাহাটীৰ ওচৰত পোৱাত নিজৰ জয় নিশ্চিত হব বুলি ভাবি লৈছিল। ইফালে বাদুলী ফুকন মোগলৰ জয়ত দৃঢ় নিশ্চিত আছিল আৰু ৰজা হোৱাৰ সপোন দেখিবলৈ আৰম্ভ কৰিছিল।

*"এনেয়েও সি নিশ্চিত যে ৰামসিংহৰ দৰে এজন ৰাজপুত বীৰৰ আগত লাচিত কোন কুটাঞ্জগতিকে তাৰ আনন্দত মনে নধৰা হৈছে।" (গোস্বামী ১৬৮)*

ৰামসিংহই সেনাপতি বৰফুকনক আগৰ সন্ধিমতে মোগলৰ ঠাইখিনি এৰি দিবলৈ চিঠি লিখিছিল। সেনাপতি লাচিত বৰফুকনে পোনচাটেই ৰামসিংহৰ প্ৰস্তাৱ নাকচ কৰি দিলে। ৰামসিংহ মোগলৰ বৰসেনাপতি হলেও ৰছীদখাঁয়ে তেওঁ বৰ বেছি মনা নাছিল। দুয়োৰে মাজত সঘনে মতানৈক্য ঘটিছিল। বিবাদ চলি থকা সময়তে আহোমে আক্ৰমণ কৰি দিলে। কাড় লাগি ৰামসিংহৰ ভতিজাৰ মৃত্যু হল। আহোমৰ আকস্মিক আক্ৰমণত মোগলৰ ভালেখিনি ক্ষয়ক্ষতি হল। খঙত ৰামসিংহই ৰছীদখাঁৰ তামীঘৰাৰ ৰছী কাটি খেদি দিলে। এনেদৰে ছেগাচোৰোকাকৈ দুয়োপক্ষই যুজ দি থাকোঁতে বাৰিষা আহিল। বাৰিষাৰ যুদ্ধত মোগল সৈন্য সিমান পৰিপক্ক নাছিলে।

মোগলে বাঁহবাৰী আৰু ৰংমহলৰ কোঁঠত আক্ৰমণ কৰিলে। বাহঁবাৰীৰ যুদ্ধত ৰাণীৰ ৰজাই মোগলক প্ৰতিহত কৰিবলৈ সমৰ্থ হয়। বাহঁবাৰী যুদ্ধত মোগলৰ ফালৰ পৰা বাহেলাল খাঁ কবিশেখৰ বৰুৱা আৰু সুৰসিং নেতৃত্ব দিছিল। আগিয়াঠুৰিৰ চেচাঁ নদীৰ পাৰত মোগলৰ লগত যুদ্ধত। ৰামসিংহই নিজেই নেতৃত্ব দিছিল বাবে জয়ী হ'ল। লগত আহোমৰ বহু যুদ্ধ নাও লৈ যায়। যাৰ ফলত লাচিতে নৈত পানীগড় বান্ধিলে। পানীগড়ৰ বাবে আহোমে কেইবাখনো যুদ্ধত জয়ী হৈছিল। নৌ যুদ্ধৰ পৰিচালানা লাচিতে নিজে কৰিছিল।

*"ইফালে, লাচিত বৰফুকনে পানীগড় বান্ধিছিল।পানীগড় বান্ধিবলৈ খৰালিতে ডাঙৰ ডাঙৰ শালৰ*

*খুঁটা নদীৰ মাজত পুতি তাত ৰাইডাংবেত আৰু শিকলি লগাই দিয়ে নাও আহিলে তাত খুন্দা মাৰে।কিন্ত নিজৰ নাও যাবলৈ তাত বাট ৰখা হয়। এই পানীগড়ৰ বাবে আহোমে কেইবাখনো নৌ যুদ্ধ জিকিছিল।” (গোস্বামী ১৭৭)*

যুদ্ধত পৰাজয় বৰণ কৰা বাবে ৰামসিংহই আহোমৰ সৈন্যৰ মাজত সন্দেহ জগাবলৈ কুটবুদ্ধিৰ সহায় লৈছিল যদিও কামত নাহিলে। যুদ্ধৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি আন্ধাৰুবালিত গড় নিৰ্মাণ কৰিবলৈ আৰম্ভ কৰিলে। মোমায়েকে কামত গাফিলতি কৰা দেখি লাচিতে শিৰচ্ছেদ কৰি দিলে। সকলোৱে এই দৃশ্য দেখি হতবাক আৰু ভয়ত কম্পমান হৈছিল। স্বৰ্গদেউ বৰফুকনৰ ওপৰত খং কৰিছিল যদিও বৰকুঁৱৰীৰ বুজনিত শান্ত হল। মোগলে যুদ্ধত হেঙাল কুকুৰবোৰ এৰি দিয়াত আহোম সৈন্য দিশহাৰা হৈ পিছুৰাই আহিবলৈ বাধ্য হ'ল। আলবৈ পাহাৰৰ নামনি পথাৰত মোগল আৰু আহোমৰ মাজত তীব্ৰ যুদ্ধ হল। যুদ্ধত ভবামতে মোগলে হেঙাল কুকুৰবোৰ এৰি দিছিল। পিজলাৰ বুদ্ধিমতে লুকাই থৈ দিয়া মাইকী কুকৰবোৰ এৰি দিলে। হেঙাল কুকুৰবোৰ সৈন্যক আক্ৰমণ কৰাৰ সলনি মাইকী কুকুৰ কেইটাৰহে পিছ ললে। মোগলে তেওঁলোকৰ ৰণকৌশল অসফল হোৱা দেখি হতবাক। দুয়ো পক্ষৰ মাজত তীব্ৰ যুদ্ধ পিজলাই মোগলৰ নাৰী যোদ্ধা মদনাৱতী আৰু কলামতীক বধ কৰিলে। গন্ধৰ্ব কোঁৱৰে যুদ্ধত বীৰত্বৰ প্ৰদৰ্শন কৰি বহু মোগল সৈন্যক হত্যা কৰিছিল। মোগল যুদ্ধত পৰাজয় হোৱা দেখি তেওঁলোকে পিছুৱাই গ'ল। আহোমে যুদ্ধত জয়ী হোবা বুলি আনন্দ কৰি থাকোতে পিছপিনৰ পৰা মোগলৰ অশ্বাৰোহীৰ বিশাল সৈন্যৰ আগত আহোম সেনা চেদেলিভেদেলি হ'ল। আহোমৰ পৰাজয় হোৱাৰ লগতে পিজলা বন্দী হ'ল। আহোমে এই যুদ্ধত একে দিনাই নিজৰ দহ হাজাৰ সৈন্য হেৰুৱাব লগা হ'ল।

যুদ্ধৰ পিছত ঘূৰি অহা সৈনিকবোৰৰ ভিতৰত পিজলা নাই। পিতৃ লাচিত বৰফুকনে খবৰটো পাই বিচলিত হ'ল। গন্ধৰ্ব পিতৃৰ মনোবেদনা বুজি আৰু নিজৰ তাইৰ প্ৰতি থকা দুৰ্বলতাৰ বাবে যুদ্ধক্ষেত্ৰত পিজলাৰ মৃতদেহ বিচাৰিবলৈ গল।যদিও ইমান হাজাৰ হাজাৰ মৰাশৰ পৰা পিজলাৰ মৃতদেহ বিচাৰি নাপাই হতাশেৰে ঘূৰি আহিল। মোগল সেনাপতি ৰামসিংহই পিজলাক আহোম সেনাপতি বাফুকনৰ কন্যা বুলি জানিব পাৰি তাইৰ দায়িত্ব ফুলচান্দ বিবিক গতাই দিলে। সকলোকে কঠোৰভাবে সকিয়াই দিলে তাই পলাই গলে মৃত্যু দণ্ডৰে দণ্ডিত কৰা হ'ব। বৰফুকন বিচলিত নহয় পুনৰ যুদ্ধৰ প্ৰস্তুতিৰ বাবে লাগি গল। ৰামসিংহই বৰফুকনৰ তাত সোণাবল নদীয়ালৰ হাতত পিজলা বন্দী হোৱাৰ খবৰটো পত্ৰ যোগেদি জনালে। ৰামসিংহই আহোমৰ পৰা পিজলাৰ সলনি গুৱাহাটী বিচাৰিলে। আহোম আৰু মোগলৰ আগৰ সীমা বাহাল ৰাখিব লাগে।

তাৰ বিনিময়ত আহোমক যুদ্ধৰ ক্ষতিপূৰণ ৰূপে তিনি লাখ টকাও দিব। নহলে পিজলাৰ জীৱন সংকটত আহি পৰিব। পিজলা জীয়াই থকা খৱৰ শুনি বৰফুকন গন্ধৰ্ব আৰু আহোম বিষয়াসকলে সন্তোষ লাভ কৰিছিল। যদিও আনফালে ৰামসিংহৰ ভাবুকিত চিন্তিত হৈছিল। তথাপি লাচিত বৰফুকন কোনোপধ্যেই জীয়েকৰ সলনি গুৱাহাটী এৰি নিদিয়ে।ওলোটাই ৰামসিংহক যুদ্ধৰে গুৱাহাটী জয় কৰিবলৈহে বৰফুকনে পত্ৰ লিখি পঠিয়াই দিলে।

*"আমাৰ সন্দেহ আছে আপোনাৰ গাত ৰাজপুতৰ তেজ আছে নে নাই? ৰাজপুতে যুদ্ধ কৰি লয়, ভিক্ষা নোখোজে। নাৰীৰ মৰ্যাদাৰ এইয়াই নমুনা নেকি? চৈয়দ চালা আৰু চৈয়দ ফিৰোজাৰ সলনি গুৱাহাটী বিচৰা নাছিলোঁ। যদি শক্তি আছে গুৱাহাটী কাঢ়ি ল'বা নহ'লে তিৰোতাৰ আঁচলৰ তলৰ পৰা ভাবুকি নিদিবা।" (গোস্বামী ২০৪)*

যুদ্ধৰ মাজতে গড়গাঁৱৰ পৰা স্বৰ্গদেউ চক্ৰধ্বজ সিংহৰ মৃত্যুৰ দুখৰ খৱৰ আহিল। নতুন স্বৰ্গদেউ উদয়াদিত্ত সিংহই ৰাজপাটত বহি বৰফুকনক যুদ্ধ চলাই নিবলৈ আদেশ দিলে।ফুলচান্দ বিবিয়ে বন্দী হলেও পিজলাক বৰ সাদৰেৰে ৰাখিছিল। তাইক লৈ মোগলে আহোমৰ লগত সন্ধি কৰিব বিচাৰিছে সেইটো তাই ভাল পোৱা নাই। সন্ধিৰ প্ৰস্তাৱ বৰফুকনে নাকচ কৰা বাবে যিকোনো মূহুৰ্ততে পিজলাক হত্যা কৰিব পাৰে। পুৱতি নিশা শিবিৰত সকলোৱে শুই থকাৰ সুযোগতে ফুলচান্দ বিবিয়ে পিজলাক মুক্ত কৰি পঠিয়াই দিলে। পিজলা আহোম শিবিৰ পোৱাত সকলোৱে আনন্দিত হয়। ৰামসিংই ফুলচান্দৰ তেনে কাৰ্য্যৰ বাবে তাইক উলঙ্গ কৰি হেঙাল কুকুৰৰ মাজত এৰি দিবলৈ ক'লে।

*"এইক লৈ যা লৈ যা-। এইক উলঙ্গ কৰি হেঙাল কুকুৰৰ মাজত এৰি দে। সিহঁতে তাইৰ মঙহবোৰ ছিঙি ছিঙি খাব।যা-। বিশ্বাস ঘাতকৰ শাস্তি এইয়াই।" (গোস্বামী ২১৩)*

ফুলচান্দে ৰামসিংহৰ ওচৰতে বিহ খাই দেহ ত্যাগ কৰে। ৰামসিংহই তাৰ মৃতদেহটো চাউনিৰ ওচৰত ওলোমাই দিবলৈ কলে। লাচিত বৰফুকন টান নৰিয়াত পৰি আছে। তেওঁৰ লগতে নৌ সেনাপতি দাওকি পানীফুকন আৰু নাওবৈচা ফুকন নৰিয়াত ভুগি বিছনাত পৰি আছে। এই সুযোগ বুজি মোগলে পূৰ্ণ শক্তিৰে শেষবাৰৰ বাবে নৌকাৰে আক্ৰমণ কৰিবলৈ আগবাঢ়িছে। মোগলে চল্লিছখন নৌকা লৈ আক্ৰমণ কৰিছে। বৰসেনাপতি নাই বাবে আহোম সৈন্য মন ভাঙি গৈছে আৰু গন্ধৰ্ব যুদ্ধৰ পৰা গা এৰাই চলিছে। মোগল সৈন্য কোনো বাধা নাপাই আগুৱাই অহা খৱৰ পাই লাচিত বিচলিত হৈ উঠিছিল। লাচিত দেখিল এতিয়া শত্ৰুৱে দেশ অধিকাৰ কৰিব। গতিকে নৰিয়া গাৰে লাচিত নাও এখনত উঠি যুদ্ধত নামিল। লাচিতক দেখা পোৱাৰ লগে লগে প্ৰবল উৎসাহেৰে আহোম সৈন্যই মোগলৰ ওপৰত জপিয়াই পৰিল। পিজলা বাধা দিয়া সত্বেও গাভৰু

কেইজনীমানক লৈ যুদ্ধত নামিল। দুয়োপক্ষৰ যুদ্ধ নাৱৰে নদীৰ পানী দেখা নোপোৱাৰ দৰে হ'ল। লাচিতৰ নির্দেশত পাহাৰৰ পৰা মাৰি পঠিওৱা হিলৈবোৰ মোগলৰ নাৱত পৰিবলৈ ধৰিলে। হিলৈৰ আঘাত মোগলৰ বহু নাৱ ডুবিলে। যুদ্ধত মোগলৰ বিস্তৰ ক্ষতিসাধন হ'ল। মোগলৰ কেইবাখনো নাও ধ্বংস হোৱাৰ লগতে কেইবাজনো সেনাপতি আৰু বহু সৈন্যৰ মৃত্যু হ'ল। মোগল সৈন্য পলাই যোৱা দেখি আহোম সৈন্যই পিছ লোৱা দেখি লাচিতে বাধা দিলে। মোগলে পুনৰ আক্ৰমণ কৰিব বুলি আহোমে কোঁঠ মাৰি সাজু হৈ আছিল। কিন্তু মোগল সৈন্য চাউনি ভাঙি সকলো বস্তু সামৰি গুছি গ'ল। ৰামসিংহই যোৱাৰ আগতে হাজোৰ মন্দিৰ দর্শন কৰি গ'ল। লাচিত বৰফুকন লগতে অসমীয়া সৈন্য আৰু নাৱীৰ বীৰত্বক উচ্চ প্ৰশংসা কৰি গ'ল।

*"বৰ নবাব লাচিত বৰফুকন সামান্য বীৰ নহয়।মই একো ছিদ্ৰ নাপালোঁ। অসমীয়া তিৰোতাৰ দৰে বুদ্ধিমতী আৰু যুঁজাৰু তিৰোতা মই ভাৰতবৰ্ষৰ কোনো ঠাইতে দেখা নাই।" (গোস্বামী ২১৯)*

লাচিত বৰফুকনে মোগলে আহিব নোৱাৰাকৈ মানাহলৈ কোঁঠ মাৰিলে। ঠায়ে ঠায়ে সৈন্য আৰু সবিষয়া নিয়োগ কৰিলে যাতে মোগলে সহজে ৰাজ্যত প্ৰবেশ কৰিব নোৱাৰে। স্বৰ্গদেউ যুদ্ধত জয়ী হোৱাৰ বাবে সকলোকে প্ৰশংসা কৰিলে। বিষয়াবোৰক বঁটা বাহন দিলে। লাচিত বৰফুকনক গুৱাহাটী লগতে নামনিৰ শাসনকৰ্তা ৰূপে ঘোষণা কৰিলে। স্বৰ্গদেউৱে গন্ধৰ্ব কোঁৱৰক উচ্চ প্ৰশংসা কৰি তাক পুৰস্কাৰ দিব বিচৰাত সি পিজলাক বিয়া কৰাৰ ইচ্ছা প্ৰকাশ কৰিলে। কিন্তু পিজলাই সভাত সকলোৰে আগত গন্ধৰ্ব কোঁৱৰৰ লগত বিয়া নহয় বুলি ক'লে। গন্ধৰ্ব কোঁৱৰ সিংহাসনৰ লোভত মজুমখাঁৰ লগত গোপন সন্ধি কৰি কোচ ৰাজ্য এৰি আহোম ৰাজ্যত প্ৰবেশ কৰিছিল। ৰাজপাটৰ মোহত নিজ ভগ্নীক মজুমখা গোটাই দিছিলে। গন্ধৰ্বই আহোম সৈন্যৰ গোপন তথ্যবোৰ মোগলক গোপনে যোগান ধৰিছিল। পিজলাই বান্ধীৰ হাতৰ পৰা গোপনে পত্ৰবোৰ সলনি কৰি দিছিল।

*"কিন্তু পত্ৰবোৰ আমাৰ ৰাজ্যত থকা দৰ্জি আলম বেগা হাতত বাঁহৰ চুঙাত সুমুৱাই দিছিল। দিছিল আমাৰ বান্দী বতাহীৰ যোগেৰে। আমি পত্ৰবোৰ চাই তাৰ ওলোটাটো লিখি দিছিলোঁ। গতিকে বঙালে গমেই নাপালে যে আহোমে আক্ৰমণ কৰিলে গুৱাহাটী লোৱা সহজ নহলহেঁতেন।তেওঁৰ লক্ষ্য যি কোনো উপায়েৰে কোচৰ সিংহাসন।যোৱা যুদ্ধতো তেওঁ দুয়ো পক্ষৰ লগত যোগাযোগ ৰাখিছে। স্বৰ্গদেৱে বিশ্বাস নকৰিলব বুলি আমি পত্ৰ সমূহ থৈ দিছো।" (গোস্বামী ২২১)*

গন্ধৰ্বৰ এনে ৰূপ শুনি সভাত স্বৰ্গদেউৰ উপৰিও সকলোৱে হতবাক। স্বৰ্গদেউৰ প্ৰচণ্ড খং উঠিছিল

যদিও কলঙ্ক আহিব বুলি কোঁৱৰক শাস্তি প্ৰদান নকৰিলে। ইয়াৰ সলনি গন্ধৰ্বক আহোম ৰাজ্য এৰি যাবলৈ আদেশ দিলে। গন্ধৰ্বই তুৰ্কী ঘোঁৰাত উঠি পিজলা আৰু মোমাইতামুলীৰ হাউলিৰ ফালে চাই দুখ মনেৰে বিদায় ল'লে। গন্ধৰ্ব যোৱা দেখি চোতালৰ পৰা পিজলা আৰু বতাহী চাই চকুলো টুকিলে।

*"পিজলাই উভতি খোজ লওতেই দেখিলে বতাহী বৈ আছে,তাইৰ দুচকুত পানী। পিজলায়ো সেমেকি উঠা চকু দুটাৰ দুটোপাল পানী ঢাকিবলৈ জোৰকৈ হাঁহিবৰ চেষ্টা কৰিলে।" (গোস্বামী ২২)*

**২.২ চৰিত্ৰৰ মূল্যায়নঃ**

উপন্যাসখনত ভালেসংখ্যক চৰিত্ৰ আছে। তাৰ ভিতৰত পিজলা গাভৰু, গন্ধৰ্ব কোঁৱৰ, বতাহী, শুকতি, লাচিত বৰফুকন, বাদুলি ফুকন, জয়ধ্বজ সিংহ, ৰামসিংহ, ফুলচান্দ বিবি, মজুমখাঁ আদিয়ে প্ৰধান চৰিত্ৰ।

**২.২.১ পিজলা গাভৰু**

পিজলা লাচিত বৰফুকনৰ দুহিতা। পিতৃৰ দৰে তাইও স্বাভিমানী, ত্যাগী, সাহসী আৰু বীৰ। নকৈ গাভৰু হোৱা পিজলা একপ্ৰকাৰ ৰাংঢালীও। সেইকাৰণে সখীয়েক আৰু আইতাকৰ লগত চুপতি আৰু ধেমালি কৰি থাকে। ঘৰৰ মানুহে তাইৰ বিয়াৰ কথা উলিওৱাত পোনচাতেই নাকচ কৰি দিছিল। দেশ আৰু জাতিৰ বাবে হাতত অস্ত্ৰ তুলি লৈছিল। কোনো উমান নোপোৱাকৈ সোণমতীক উদ্ধাৰ কৰিবলৈ হাতত হেংদাং লৈ গবৰ্ন্ধৰ পিছে পিছে গৈছিল। গাভৰু বাহিনীক লগত লৈ গাভৰু বাহিনী গঠন কৰি মোগলৰ সৈতে যুদ্ধ কৰিছিল। মোগলৰ হাতত বন্দী হ'লেও কেতিয়াও ভয় কৰা নাছিল। তাই অত্যন্ত বুধিয়ক আছিল। স্বৰ্গদেউ আৰু আহোমৰ অন্যান্য বিষয়াই নবাবৰ সাথৰ ভাঙিব নোৱাৰি লাজত পৰিছিল। তাৰ পৰাও পিজলাই উদ্ধাৰ কৰিছিল। মোগলে যুদ্ধত ব্যৱহাৰ কৰা হেঙাল কুকুৰৰ পৰাও পিজলাই আহোম সৈন্যক উদ্ধাৰ কৰিছিল। তাই গন্ধৰ্বক ভাল পায় আৰু তাৰ লগত সংসাৰ কৰাৰ মন। তথাপি তাইৰ আগত দেশ। সেইবাবে গন্ধৰ্বৰ বিশ্বাসঘাতকতাক সকলোৰে আগত ফাদিল কৰিবলৈ তাই কুণ্ঠাবোধ কৰা নাছিল।

**২.২.২ গন্ধৰ্ব কোঁৱৰ**

গন্ধৰ্ব কোঁৱৰ উপন্যাসখনৰ আটাইতকৈ আকৰ্ষণীয় চৰিত্ৰ। গন্ধৰ্ব ঘোঁৰাৰ বিশেষজ্ঞ আছিল। যিকোনো ঘোঁৰাক অনায়াসে বশ কৰিব পাৰিছিল। যাৰ বাবে লাচিত বৰফুকনৰ প্ৰিয়পাত্ৰ হৈছিল। পিছত স্বৰ্গদেউ তাক ঘোঁৰা বৰুৱা পাতি যুদ্ধৰ বাবে অশ্বাৰোহী সৈন্য গঠনৰ গুৰু দায়িত্ব দিছিল। গন্ধৰ্ব অতি সাহসী আৰু বীৰ আছিল। পিজলাৰ বাবে চিকাৰ পৰি অনা পহুটো বঙালে কাঢ়িব খোজতে অকলে প্ৰত্যুত্তৰ দিছে। সোণমতীক উদ্ধাৰ কৰিবলৈ যাওঁতে নেতৃত্ব দিছিল। শৰাইঘাটৰ যুদ্ধত সাহসেৰে মোগলৰ লগত যুদ্ধ দিছিল। কিন্তু গন্ধৰ্ব কোঁৱৰ

প্ৰকৃত চৰিত্ৰ পিছতহে গোম পোৱা যায়। মোগলে কোঁচ ৰাজ্য আক্ৰমণ কৰোতে গোপনে বুজাবুজি কৰি আহোম ৰাজ্যলৈ গুছি আহিছিল। ৰজা হোৱাৰ লোভত নিজৰ ভনীয়েকক মোগলক দিবলৈ কুন্থাবোধ কৰা নাছিল। নিজক নিৰাপদ দূৰত ৰাখি প্ৰাণটো বচাই যুদ্ধ কৰিছিল। আহোম আৰু মোগল দুয়োৰে লগত সি সম্পৰ্ক বচাই ৰাখিছিল। প্ৰেমত গন্ধৰ্ব দুমুখীয়া বুলি কব পাৰি। সি পিজলাক আৰু বতাহী দুয়োজনীকে ভাল পায়। দুয়োৰে লগত সমান্তৰালভাৱে মধুৰ সম্পৰ্ক ৰক্ষা কৰি চলি আছিল। পিজলাই গন্ধৰ্বৰ গোপন তথ্য আৰু বিশ্বাসঘাতকতাৰ কথা স্বৰ্গদেউৰ আগত কোৱাত তাক ৰাজ্য পৰা বাহিৰ কৰি দিয়ে।

**২.২.৩ মোমাই তামুলী বৰবৰুৱা**

মোমাই তামুলী বৰবৰুৱা বা শুকতি পিজলাৰ ককাক। এসময়ত আহোমৰ ৰাজ বিষয়া আছিল। বঙালে ৰাজ্য শাসন কৰিছে যদিও কিবা সমস্যা হলে ৰাইজে তেওঁৰ মুখলৈ বাট চায়। সোণমতীক উদ্ধাৰ কৰাৰ বাবে মাকে শুকতিৰ ওচৰত আহোতে গন্ধৰ্বক উদ্ধাৰ কৰিবলৈ পঠিয়াই দিছিল। লাচিত বৰফুকনৰ অনুপস্থিত ঘৰ আৰু ৰাইজৰ দায়িত্ব শুকতিয়ে সুচাৰুৰূপে সম্পন্ন কৰিছিল। স্বৰ্গদেউ জয়ধ্বসিংহ মন্থিৰে চক্ৰান্তৰে বন্দী কৰিব খোজতে গন্ধৰ্ব পঠিওৱাৰ লগতে আগতীয়াকৈ খবৰ পঠিয়াই ৰক্ষা কৰিছিল। শুকতিয়ে নাতিয়েক পিজলাক বৰ মৰম কৰিছিল আৰু তাইৰ বাবে সদায় চিন্তিত হৈছিল। তাইৰ শান্তি হোৱা সকাম বৰ উলহ মালহেৰে পাতিছিল আৰু বিয়া দিয়াৰ বাবেও চেষ্টা চলাইছিল। কিন্তু ইমান গুৰুত্বপূৰ্ণ আৰু ঐতিহাসিক চৰিত্ৰটো পিছত কাহিনীৰ মাজৰ পৰা হেৰাই গল। উপন্যাসিকে চৰিত্ৰটো আৰু বহলভাৱে অংকিত কৰিব পাৰিলে হয়।

**২.২.৪ বতাহী**

বতাহী শুকতিৰ ঘৰৰ বান্দী। বতাহী পিজলাৰ প্ৰায় সমসাময়িক বাবে বান্দি হলেও দুয়ো সখীৰ দৰে। সেইকাৰণে দুয়ো ৰংধেমালি কৰে আৰু মনৰ কথাৰ আদান-প্ৰদান কৰে। বতাহীয়ে গন্ধৰ্বক মনে মনে ভাল পাইছিল। গন্ধৰ্ব অসুখ হোৱাত দিনৰাতি তাইয়ে শুশ্ৰূষা কৰি আৰোগ্য কৰিছিল। তাই পিজলাক ভাল পাইছিল বাবে অতি বিপদসংকুল হলেও বাধা দিয়া সত্বেও পিজলাৰ সুৰক্ষাৰ বাবে তাইৰ লগত মোগতৰ চাউনিত গৈছিল। বতাহী এজনী সহজ -সৰল মনৰ ৰাংঢালী ছোৱালী। ফুলচান্দ বিবি কম সময়ৰ বাবে চিত্ৰিত হলেও অতি গুৰুত্বপূৰ্ণ চৰিত্ৰ। তাইৰ নাম মুছলমান হ'লেও আচলতে তাই হিন্দু। কোঁচৰ ৰাজ্য মোগলে আক্ৰমণ কৰোতে ভায়েকে(গন্ধৰ্ব কোঁৱৰ) সন্ধি কৰি তাইক শত্ৰুৰ হাতত গতাই দিছিল। তেতিয়াৰ পৰাই তাই মোগলৰ দাসী। নিজৰ বিষময় আৰু দুখৰে ভৰা জীৱনৰ অৱসান ঘটাই পিজলাক বন্দীত্বৰ পৰা মুক্ত কৰাই ৰামসিংহৰ ওচৰত

আত্মহত্যা কৰিছিল। তাই নহলে পিজলা মোগলৰ বন্দীৰ পৰা মুক্ত হ'ব নোৱাৰিলে হয়।

লাচিত বৰফুকন, ৰামসিংহ, বাদুলি ফুকন, মজুমখাঁ আদি ঐতিহাসিক চৰিত্ৰ। বুৰঞ্জীত থকাৰ দৰে এই চৰিত্ৰকেইটাই উপন্যাসিকে অংকন কৰিছে।

**২.৩ সমাজ চিত্ৰণঃ**

পিজলা গাভৰু এখন বুৰঞ্জীমূলক উপন্যাসখন। উপন্যাসখনত সমসাময়িক অসমৰ বিশেষকৈ আহোম সমাজৰ সামাজিক, সাংস্কৃতিক, ৰীতি-নীতি ,ধৰ্মীয় বিশ্বাস, লোকাচাৰ আদি অংকন কৰা হৈছে। উপন্যাসখনত আহোম ৰাজতন্ত্ৰৰ শাসন আৰু প্ৰশাসন প্ৰণালী দেখুওৱা হৈছে। উপন্যাসখন আহোমসকলৰ উচ্চপদস্থ বিষয়াৰ পৰা সাধাৰণ শ্ৰেণীৰ সৈন্যৰ বহুখিনি তথ্য পোৱা যায়। উদাহৰণস্বৰূপেঃ পাইক, চাউদাং, বৰবৰুৱা, বৰফুকন, ৰাজখোৱা, গোহাঞিবৰুৱা, হাতী বৰুৱা, ঘোঁৰা বৰুৱা, দোলাকাষৰীয়া বৰুৱা, তামুলী লিগিৰা ,খাৰঘৰীয়া ফুকন আদি একো একোটা আহোম ৰাজতন্ত্ৰৰ গুৰুত্বপূৰ্ণ বিষয়বাব।

*"ইফালে ৰাজ্যত পূৰ্ণোদ্যমে যুদ্ধৰ প্ৰস্তুতি চলিছে। স্বৰ্গদেৱে দিয়া আদেশমতে খাৰঘৰীয়া ফুকনে গোলা-বাৰুদ-হিলৈ আদি সাজিবলৈ পাইক লগাই দিছে, কাঁড় ধেনু, হেংদান সজাই সাজি আছে। নাওবৈছা খেলৰ মানুহে নাও সাজিছে।" (গোস্বামী ১৩৯)*

উপন্যাসখনত শৰাইঘাট যুদ্ধৰ বিস্তৃত বিৰৰণ পোৱা যায়। আহোমৰ আৰু মোগল দুয়োৱে যুদ্ধ কৌশল লগতে অস্ত্ৰ-শস্ত্ৰৰ উল্লেখ আছে। আহোমসকল বিশেষকৈ গড় বান্ধি যুদ্ধ কৰিছিল। শত্ৰুক ভেটা দিবলৈ পাহাৰ-ভৈয়ামৰ লগতে নৈত গড় নিৰ্মাণ কৰিছিল। লাচিতে মোগলক ভেটা দিবলৈ গুৱাহাটীৰ চাৰিওপিনে গড় নিৰ্মাণ কৰিছিল।

*"গুৱাহাটীৰ চাৰিওফালে পৰ্ব্বতৰ ওপৰে ওপৰে গড়। পৰ্ব্বতৰ মাজে মাজে হিলৈ আৰু দূৰে দূৰে সৈন্যৰ গোট থব পৰা ব্যৱস্থা কৰি তাত সৈন্যবোৰক থাকিবলৈ দিছিল।বৰফুকনৰ এটাই ইচ্ছা যে গুৱাহাটীৰ ব্যেহুৰ মাজত শত্ৰু সৈন্যক সুমুৱাই লওঁ।" (গোস্বামী ১৭৩)*

আহোম আৰু মোগলে বামত বা মাটিত, ঘোঁৰাত উঠি, নৈত ডাঙৰ ডাঙৰ নাৱত উঠি যুদ্ধ কৰিছিল। ইয়াৰোপৰি গুপ্তচোৰ বা চোৰবাচা সকলে বাতৰি যোগান ধৰাৰ লগতে গুপ্তঘাতক ৰূপে শিবিৰত প্ৰবেশ কৰি সেনাবিষয়া বা সৈন্যবোৰক হত্যা কৰা নহলে খাদ্য -পানীত বিহ দিয়া, খাৰ- বাৰুদত অগ্নি সংযোগ কৰি ধ্বংসযজ্ঞৰ সৃষ্টি কৰিছিল।

*"চোৰবাচাবোৰ অতি ধূৰ্ত আৰু দুৰ্দ্ধৰ্ষ। সিহঁতে যেনেকৈ মৰিবলৈ ভয় নকৰে মাৰিবলৈও। সিহঁতে শত্ৰুৰ শিবিৰত সোমাই মনে মনে পানীতোবিহ দিয়াৰ পৰি ঘোঁৰাবোৰক ঘাইল কৰা সৈন্যবোৰক হত্যা কৰা য'ত*

*কূটাঘাত কাম কৰে। শত্ৰুৰ মখাৰঘৰত জুই দিয়ে,সকলো বতৰা আনি সেনাপতিক দিয়ে।” (গোস্বামী ১৪৭)*

বঙাল বা মোগলে অত্যাচাৰ কৰা মহিলা বা গণিকাক বিশেষভাৱে প্ৰশিক্ষণ দি শত্ৰু পক্ষৰ শিবিৰত পঠিয়াই দিয়া হৈছিল। এই মহিলা চোৰবাচাবোৰেও শত্ৰু শিবিৰত পুৰুষৰ সমানে বিস্তৰ ক্ষতিসাধন কৰিছিল। যুদ্ধত বিশেষকৈ হেংদাং, তৰোৱাল, ধেনু-কাড়, যাঠি, হিলৈ, খাৰ-বাৰুদ, বৰটোপ আদিৰে যুদ্ধ কৰিছিল। উপন্যাসখনত আহোম আৰু মোগলৰ বেশভূষাৰ বিষয়ে কিছু আভাস পোৱা যায়। সেই সময়ত সমাজত নাৰীৰ স্থান সম্পৰ্কে কিছু আভাস পোৱা যায়। নাৰীক ভোগৰ সামগ্ৰী আৰু সন্তান জন্ম দিয়া আহিলা ৰূপে জ্ঞান কৰা হৈছিল। অতি কম বয়সতে বিয়া হৈছিল। পিজলা শান্তি হোৱাৰ লগে লগে তাইৰ বিয়াৰ বাবে ঘৰৰ মানুহে প্ৰচেষ্টা চলাইছিল।

*“তেৰোঁ আছিল ডাঙৰীয়াৰ ঘৰৰে জীয়াৰী,বিন মাই বুঢ়াগোহাঁইৰ জী। পাটগাভৰুতে শুকতিলৈ বিয়া হৈছিল।এই আই,নাৰীৰ জনম ঘৰখন ধৰিবলৈ। লৰা জন্ম দিবলৈ। বুজিছ সেয়াই নেদেখাজনৰ ইচ্ছা।” (গোস্বামী ১১২)*

যুদ্ধত বন্দী নাৰীসকলৰ ওপৰত পাশৱিক অত্যাচাৰ চলোৱা হয়। তেওঁলোকক দাসী ৰূপে ব্যৱহাৰ কৰে। ইচ্ছা গ’লে যিকোনো তিৰোতা আৰু গাভৰুক ৰজা বা বিষয়া সকলে নিজৰ কৰি লৈ লৈছিল। এনেকুৱা কাম মোগলেও আৰু আহোম দুয়ো কৰিছিল। সাধাৰণ শ্ৰেণীৰ মহিলা সকলতকৈ ৰজাঘৰৰ মহিলাসকলৰ জীৱন বেছি অনিশ্চয়তাৰে ভৰা আছিল। ৰজাৰ ৰাজকুঁৱৰীসকলক সন্ধিত ব্যৱহাৰ কৰিছিল। আহোমৰ কেবাগৰাকী ৰাজকুঁৱৰীক শান্তি চুক্তিমতে অন্য ৰাজ্যলৈ পঠিয়াই দিয়া হৈছিল। ইয়াত ৰাজকুঁৱৰীৰ ইচ্ছা-অনিচ্ছাৰ কথা আহি নপৰে বা কোনেও গুৰুত্ব নিদিয়ে। জয়ধ্বজ সিংহই সন্ধি অনুসৰি নিজৰ কন্যা ৰমণী গাভৰুক বাদশ্বাহ ঔৰঙ্গজেৰৰ পুত্ৰৰ লগত বিয়া দিব লগা হৈছিল।

*“আহোম সমাজত গাভৰুৰ মতামত লোৱা নহয়। ঘৰখনে ভাল দেখিলে যাৰ তাৰ লগতে বিয়াত বহিব লাগে। তাতে দুজনী বিয়া কৰোৱাটো এটা সাধাৰণ কথা। ৰজাৰ জীয়েক হ’লেও কাৰ লগত কেতিয়া বিয়া হ’ব লাজে তাৰ নিশ্চয়তা নাই। ৰমণী গাভৰুকে নিশাটোৰ ভিতৰত মোগলৰ হাতত দিব লগা হ’ল।” (গোস্বামী ১১৩)*

## ৩.০০ উপন্যাসখনৰ মূল্যায়ন

উপন্যাসনত প্ৰধানকৈ পিজলাৰ সাহস আৰু বীৰত্বক প্ৰধানকৈ চিত্ৰিত কৰিছে। শৰাইঘাটৰ যুদ্ধত পিতৃ লাচিতৰ লগত লগ লাগি মোগলৰ সৈতে যুদ্ধ কৰিছিল। উপন্যাসনৰ কাহিনীক দুটা দিশৰে আগবাঢ়িছে। প্ৰথম ভাগত গাভৰু পিজলাৰ চঞ্চলতা, ককা-আইতা আৰু সখীয়েকহঁতৰ লগত হাঁহি-ধেমালি, গন্ধৰ্ব কোঁৱৰৰ প্ৰতি দুৰ্বলতা আদি দেখুওৱা হৈছে। দ্বিতীয় ভাগতো সম্পূৰ্ণ শৰাইঘাটৰ যুদ্ধৰ বৰ্ণানাৰে শেষ হৈছে। শৰাইঘাটৰ যুদ্ধৰ

মাজেদি পিজলাৰ ত্যাগ, সাহস, বুদ্ধিমত্তা আৰু বীৰত্বৰ প্ৰকাশ কৰা হৈছে। আৰম্ভণিত পিজলাৰ কাহিনীটো সৰলগতিত আগবাঢ়ি গৈ আছিল যদিও পৰবৰ্ত্তীসময়ত যুদ্ধৰ মাজত পিজলা হেৰাই যায়। মাজে মাজে ঘটনাক্ৰমে প্ৰকাশ পাইছে যদিও প্ৰবল নহয়। তাৰ সলনি শৰাইঘাট যুদ্ধৰ লগতে লাচিত বৰফুকন আৰু ৰামসিংহই সংঘাত প্ৰাধান্য লাভ কৰিবলৈ আৰম্ভ কৰে। পিতৃ আৰু কন্যাৰ মাজৰ সম্পৰ্কটো কেনেকুৱা সেইটো উপন্যাসখনত দেখুওৱা পৰা নাই। ইয়াৰ সলনি ককাক-আইতাকৰ লগত নাতিয়েক পিজলাৰ সম্পৰ্কটো সুন্দৰকৈ চিত্ৰিত কৰা হৈছে। প্ৰথম অৱস্থাত বহুসময়লৈকে লাচিতক কাহিনীৰ পৰা আঁতৰাই ৰখা হৈছিল।

*"আজি ডেকা ডাঙৰীয়া থকা হলে ইমান পৰ বঙালক কাটিথৈ তাইক লৈ আহিলহেঁতেন। কোনেও একো নামাতিলে। সকলোৱে বুজিলে যে আজি লাচিত ডেকা থকা হলে ইমান পৰে কিবা এটা কৰিলেহেঁতেন। লাচিত বঙালৰ যুঁজলৈ গৈছিল।" (গোস্বামী ৪৩-৪৪)*

*"লাচিত গ'ল যুঁজলৈ, পাছে তেওঁ মূল যুঁজলৈ যোৱা নাছিল। চিনাতলীত তেওঁ বঙালৰ ফৌজক বাধা দিছিল। যুঁজত আহোম হৰাত তেওঁ সৈন্য লৈ পিছুৱাই আহিল। তাৰ পাছত কোঁঠমাৰি ৰ'ল স্বৰ্গদেউৰ আদেশত।" (গোস্বামী ৫০)*

বাদুলি ফুকনৰ বিশ্বাসঘাতকতাৰ বাবে বঙালে অসমখন অধিকাৰ কৰিবলৈ সক্ষম হয়। বাদুলি ফুকন প্ৰথম অৱস্থাত মুখ্য ভূমিকা লৈছিল। চুক্তি অনুসৰি বঙাল অসম ত্যাগ কৰোতে বাদুলি ফুকনক মজুমখাঁ লগত লৈ যায়। ৰামসিংহৰ অসম আক্ৰমণৰ সময়ত ৰজা হোৱাৰ আশাত লগত আছে। তাৰ বাহিৰে চৰিত্ৰটোৰ কোনো সক্ৰিয়তা লক্ষ্য কৰা নাযায়। উপন্যাসিকে বাদুলি চৰিত্ৰটো আকৰ্ষণীয় ৰূপত উপস্থাপন কৰাৰ যথেষ্ট সুবিধা আছিল।আৰম্ভণিৰ সক্ৰিয় চৰিত্ৰটো শেষৰ শৰাইঘাট যুদ্ধৰ সময়ত নামমাত্ৰ চৰিত্ৰ হৈ থাকিলে। উপন্যাসখনত ঐতিহাসিক চৰিত্ৰকেইটাৰ সলনি কাল্পনিক চৰিত্ৰকেইটা বেছি সক্ৰিয় আৰু আকৰ্ষণীয় ৰূপত চিত্ৰিত হৈছে। ইয়াৰ ভিতৰত কোচৰ কোঁৱৰ গন্ধৰ্ব কোঁৱৰ,বতাহী, ফুলচান্দ বিবি আৰু পিজলা গাভৰুক বিশেষকৈ উল্লেখ কৰিব পাৰি। ঐতিহাসিক চৰিত্ৰবোৰ বুৰঞ্জীৰ পাতত যেনেকৈ উল্লেখ কৰা হৈছে তেনেকৈ উপন্যাসিকে উপস্থাপন কৰিছে। ফলত বুৰঞ্জীৰ পুনৰ চিত্ৰণৰ দৰে হৈছে। বিশেষকৈ পিজলাৰ ককাক শুকতি বা মোমাই তামুলী বৰবৰুৱা,আইতাক লা চেঙ আইদেউ আৰু বাদুলি ফুকনৰ চৰিত্ৰটো কিছু হলেও নতুনত্ব দিবলৈ উপন্যাসিকে চেষ্টা কৰিছে। পিজলাৰ প্ৰতি ককাক-আইতাকৰ মৰম আৰু চিন্তা উপন্যাসখনত সুন্দৰকৈ চিত্ৰিত হৈছে।

*"এই আই নাৰীৰ জনম ঘৰখন ধৰিবলৈ। লৰা জন্ম দিবলৈ। বুজিছ সেয়াই নেদেখাজনৰ ইচ্ছা।*

*দেখাজনৰ ইচ্ছা কি আইতা।*

*ৰৈ গ'ল বুঢ়ী।*

*এই পেংলাই নকৰিবি একা।খৰা মুকতি চিনি পাল।*

*খিলখিলকৈ হাঁহি একে জাঁপে উঠিল পিজলা। কোঁচৰ টকৌ গুটি সোপা মুঠিত লৈ আইতাৰ ওচৰতে মাটিত থ'লে।" (গোস্বামী ১১২)*

বাদুলি ফুকন এফালে বঙালৰ তলতীয়া ৰজা, আনফালেদি নিজৰ দেশ আৰু জাতিৰ লগত বিশ্বাসঘাতক কৰি ভয় আৰু অন্তৰ্দ্বন্দ্বত ভুগিছে। উপন্যাসিক বাস্তৱ ৰূপত অংকন কৰিছে।

*"মনটো বেয়া লাগিল বাদুলীৰ। যত তেওঁ ৰজা হোৱাৰ সপোন দেখিছিল তাৰ ঠাইত আজি তেওঁ মৃত্যুৰ আশঙ্কাত কটাব লগা হৈছে।নহলে এন ৰাজ্যৰ পৰা পলাই যাব লাগিব। কিন্তু তেওঁৰ ভুল কি আছিল সপোন সকলোৱে দেখে তেৰোঁও দেখিছিল।" (গোস্বামী ৯৫)*

উপন্যাসখন বেছিভাগ কাহিনী বৰ্ণনাধৰ্মী। বঙালে অসমখন কেনেকৈ অধিকাৰ কৰিল,বাদলী ফুকনৰ বিশ্বাসঘাতকতাৰ কাৰণ,মজুমখাঁৰ অসম আক্ৰমণ, শৰাইঘাটৰ যুদ্ধ আদি ঐতিহাসিক ঘটনা আৰু কাৰণসমূহ উপন্যাসখনত বৰ্ণনা কৰা হৈছে। উপন্যাসিকে তথ্য দিবলৈ যায় বহুক্ষেত্ৰত কাহিনীৰ ধাৰাৰ পৰা ফালৰি কাটি গৈছে। উপন্যাসিকে কাহিনীটো আগবঢ়াই গৈ থাকোতে মাজতে ঐতিহাসিক ঘটনাৰ উপস্থাপন কৰিছে। যিটো কিছু হলেও আমনিদায়ক হৈছে। উপন্যাসখনৰ কাহিনী প্ৰথম আৰু তৃতীয় পুৰুষত বৰ্ণনা কৰা হৈছে। সহজ আৰু সৰলভাৱে উপন্যাসনৰ কাহিনীটো বৰ্ণনা কৰিছে। কাহিনী আৰু চৰিত্ৰৰ কথোপকথনত অসমীয়া ভাষাৰে প্ৰয়োগ কৰা হৈছে। মাজে মাজে চৰিত্ৰৰ সংলাপত বুৰঞ্জীৰ উক্তি প্ৰয়োগ কৰিছে। উপন্যাসখনত কেইবাটাও বঙাল আৰু মোগল চৰিত্ৰ আছে। উপন্যাসিকে দক্ষতাৰে বঙালী আৰু হিন্দী ভাষাৰ প্ৰয়োগ চৰিত্ৰকেইটাৰ মাজেদি প্ৰকাশ কৰিছে।

*": হজুৰ একে নিয়ে ভাল মস্কৰা কৰেসেৰ।*

*: একলা নিকি হজুৰ? তোমৰা কি ছাইৰা দিছ?*

*: যা কামৰা কামৰি ভাল কইৰা খাইতে পাইলাম কই?*

*: ঠিক কইস, বেচাৰী মইৰা বাছলে।" (গোস্বামী ৬৩)*

ইয়াৰ মাজতে মজুমখাঁই বাদুলী বা আহোম সকলৰ লগত বঙালীত কথা পাতিলে বা ৰামসিংহই বন্দী পিজলাৰ লগত হিন্দীত কথা পাতিলে বাস্তৱ আৰু আকৰ্ষণীয় হ'ল হয়।

*": নবাব চাহাব এইগৰাকীয়েই সেই বন্দী।*

*: বহুত খুব বহুত খুব।গাভৰু আপনাৰ পৰিচয় হামাকে চাহিয়ে।*

*: মই পিজলা গাভৰু।আহোম ফৌজৰ গাভৰু পালিৰ সেনাপতি।*

*: কিচকা বেটি?*

*: মই আহোম দেশৰ প্ৰধান সেপতি মহাবীৰ লাচিত বৰফুকনৰ কন্যা।" (গোস্বামী ১৯৬)*

পিজলা গাভৰু বৰ বৃহৎ কলেবৰ উপন্যাস নহয়। উপন্যাসখনত মুঠ একাৱন্নতা অধ্যায় আছে। উপন্যাসিকে সৰু কলেৰৰ উপন্যাসখন চুটি চুটিকৈ অকাৰণতে ইমানবোৰ অধ্যায় সন্নিবিষ্ট নকৰিলে ভাল হলে হয়। ইয়াৰে ভালেসংখ্যক অধ্যায় মাত্ৰ তিনি বা চাৰিটা পাততে সীমাবদ্ধ। শেষৰ অধ্যায়ত মাত্ৰ ন শাৰী বাক্যহে আছে। গন্ধৰ্ব কোঁৱৰে দুখ মনেৰে আহোম ৰাজ্যৰ ত্যাগ কৰা দৃশ্য দেখুৱাবলৈ এই অধ্যায়ৰ উপস্থাপন কৰা হৈছে। এই সৰু দৃশ্যটো আগৰ পঞ্চাছ নম্বৰ অধ্যায়ত যোগ কৰি দিলেও উপন্যাসৰ কাহিনী বা ৰচনা শৈলীৰ একো হানি নহল হয়। উপন্যাসখন প্ৰথম প্ৰকাশ বাবে হয়তো কেইবাটাও বানান আৰু বাক্যত ভুল ৰৈ গৈছে ।

*"সিঁহতে সমালোচনা কৰিছিল যে চাৰিওটাই একেলগে দুৰৰী কেইটাক আক্ৰমণ কৰিব।" (গোস্বামী ৬১)*

*"সকলোৰে আগত সমালোচনা কৰিলে।সকলোৰে আগত তেওঁ মনৰ কষ্টৰ কথাও জনালে।" (গোস্বামী ১০৫)*

১৬৭১ চনত আহোম আৰু মোজল সৈন্যৰ মাজত শৰাইঘাটৰ যুদ্ধখন হৈছিল। উপন্যাসখনত সমসাময়িক অসমৰ পৰিস্থিতি আৰু পৰিবেশৰ সুন্দৰ বিৰৰণ পোৱা যায়। ইয়াৰ লগতে আহোমৰ ৰাজনৈতিক সামাজিক অৰ্থনৈতিক সামৰিক দিশবোৰ প্ৰকাশ পাইছে। উপন্যাসখনত মুখ্যত শৰাইঘাটৰ যুদ্ধৰ বিস্তৃত বিৰৰণ পোৱা যায়। মোগল আৰু আহোমৰ সামৰিক প্ৰস্তুতি, অস্ত্ৰ-শস্ত্ৰ ,ৰণ কৌশল, দুয়োৰে দুৰ্বলতা আৰু সবলতা আদিৰ ওপৰত উপন্যাসখনত ৰেখাপাত কৰিছে। যুদ্ধৰ সময়ৰ বিভৎস আৰু ভয়াবহতা উপন্যাসখনত বাস্তৱ ৰূপত চিত্ৰিত কৰিছে।

*"কাৰোবাৰ যদি মূৰটো দাঁত নিকটাই কৰবাত পৰি আছে কাৰোবাৰ হাত বা ভৰিটো।কোনোবা হিলৈ লাগি মানুহটো মৰি আছে। দম দম মৃতদেহৰ মাজত তাইক বিচৰা সম্ভৱ নহয় বুজি পায়ো বহুত ঘূৰিলে। মাটিত ভৰি দিবলৈ মাটি নাই মাত্ৰ শ। তাৰ মাজে মাজে শিয়াল কুকুৰ হেঁযাল কুকুৰ বা অন্য মাংসখোৰা জন্তু।সকলোৱে হাবিৰ পৰা জাকে জাকে ওলাই আহিছে।" (গোস্বামী ১৯৩)*

উপন্যাসখনত ভালেসংখ্যক আহোম শব্দৰ ব্যৱহাৰ হৈছে। যেনেঃ হেংদান ,লাংকুৰি, জানছাইজম, ফা-নু-ৰূ-লেঙডন, জাছিংফা, দেৱতা লংডন, ফ্ৰাতা ,পয়ে, স্বৰ্গদেউ, কুঁৱৰী, পাইক, চাউদাং, মৈদাম, গড়গাঁও, ঘোৰাঁবৰুৱা, বুঢ়াগোহাঁই, বৰফুকন, বৰবৰুৱা, বৰপাত্ৰগোঁহাই ইত্যাদি। তাৰ লগতে পাৰ্ছী-হিন্দী-আৰবীক শব্দ উপন্যাসখনত পোৱা যায়। যেনেঃ নবাব, বেগম, হুজুৰ, ফৌজ, চলাম, পীৰ, চৰ্দাৰ, নহবত আদি। ঐতিহাসিক

উপন্যাস বাস্তৱ সত্য ঘটনা বা চৰিত্ৰ আলম লৈ ৰচনা কৰা হয়। কাল্পনিক হলেও বাস্তৱভিত্তিক হ'ব লাগিব। তাত অতি প্ৰাকৃত চৰিত্ৰ, ঘটনা আৰু বিষয়বস্তুৱে স্থান পাব নোৱাৰে। উপন্যাসখনত তেনেকুৱা এটি অতিপ্ৰাকৃত দৃশ্যৰ সংযোজন কৰা হৈছে। গন্ধৰ্ব কোঁৱৰ আৰু সৈনিকবোৰে যুদ্ধক্ষেত্ৰত ৰাতি মৰাশৰ মাজৰ পৰা পিজলাৰ মৃতদেহ উদ্ধাৰ কৰিবলৈ গৈ প্ৰেতাত্মাক দেখা পায় সকলোৱে পলাই আহিবলৈ বাধ্য হৈছিল।

*"হাঁহি থকা দাঁতবোৰ ওলাই আছে য'ত লাগি আছে তেজ। হাত আৰু ভৰিবোৰ শুকান জেওৰাৰ দৰে। নখবোৰ দীঘল দীঘল। সি প্ৰথমতে উলঙ্গ মানুহজনীক মানুহ বুলিয়েই ভাবিছিল তাৰ পাছত হে সি উপলব্ধি কৰিলে যে এইজনী মানুহ নহয়। তাৰ গাটো চেচাঁ হৈ গ'ল। গাৰ নোমবোৰ থিয় হ'ল গাটো কঁপিবলৈ ধৰিলে। সি হেংদানখন উলিয়াই ললে আৰু কেউফালে চালে। অন্ধকাৰত দেখিলে যে তেনেকুৱা উলঙ্গ তিৰোতা এজনী নহয় এজাক। সকলোৱে হাঁহিছে বিকট ধৰণে। লগে লগে কুকুৰৰ ভয়লগা চিঞৰ, শিয়ালৰ হোৱা, ৰাতিৰ চৰাইৰ চিঞৰ। সি বুজিলে দিনৰ যুদ্ধক্ষেত্ৰখন এতিয়া যুদ্ধক্ষেত্ৰ নহয় এইয়া যেন প্ৰেতপুৰিহে। তাৰ লগত থকা সৈন্য কেইটাওঁ কঁপিবলৈ লাগিল। তাৰ মুখৰ পৰা মাত্ৰ ওলাল। পলা । (গোস্বামী ১৯৪)*

## ৪.০০ উপসংহাৰঃ

পিজলা গাভৰু উপন্যাসখন ৰচনা কৰোতে উপন্যাসিকে বুৰঞ্জীৰ গভীৰ অধ্যয়ন কৰিছিল। উপন্যাসখনত শৰাইঘাত যুদ্ধৰ পটভূমি আৰু যুদ্ধৰ বিস্তৃত বিৱৰণে তাৰ প্ৰমাণ দিয়ে। উপন্যাসনত এফালেদি শাসনৰ লোভত বাদুলী ফুকন, মন্ত্ৰিৰ ভাণ্ডাৰী বৰুৱাৰ দৰে আহোমৰ এচাম বিষয়া আৰু ৰজাঘৰীয়া লোকে কেনেকৈ দেশ আৰু জাতিক বিশ্বাসঘাতক কৰিছে আনফালেদি লাচিত বৰফুকন, পিজলাৰ দৰে এচামে দেশ আৰু জাতিৰ বাবে নিজৰ জীৱনক তুচ্ছ কৰি জীৱনৰ বলিদান দিছে তাকে সুন্দৰ ৰূপত দেখুৱাইছে। ইতিহাসৰ পাতত পিজলাৰ দৰে বহু চৰিত্ৰ এতিয়াও অৱহেলিত হৈ আছে। উপন্যাসিকে তাৰ মাজতে পিজলা গাভৰুক উদ্ধাৰ কৰি আনিবলৈ চেষ্টা কৰিছে। লাচিতৰ দুহিতাৰ বীৰত্ব, ত্যাগ আৰু সাহসৰ গাথা কাহিনৰ মাজেদি অতি সুন্দৰভাৱে উপন্যাসিকে উপস্থাপন কৰিবলৈ সক্ষম হৈছে। লাচিতৰ কন্যাৰ আধাৰত ৰচিত পিজলা গাভৰু এখন সুপাঠ্য আৰু তথ্য সমৃদ্ধ উপন্যাস।

## গ্ৰন্থপঞ্জীঃ

গোস্বামী, প্ৰভাত। পিজলা গাভৰু। প্ৰজ্ঞা মিডিয়াহাইপ পাব্লিকেশ্বন, ২০২৫।

গেইট, এডৱাৰ্ড। অসম বুৰঞ্জী। চেনেহী বেগম অপঁদিত, লয়াৰ্ছ বুক ষ্টল, ২০১৮।

ভূঞা, সূৰ্য্যকুমাৰ। লাচিত বৰফুকন। অসম প্ৰকাশন পৰিষদ, ২০২২।

ৰাজকুমাৰ, সৰ্বানন্দ। ইতিহাসে সোঁৱৰা ছশটা বছৰ। বনলতা, ২০০০।

********